# 2026

## ASSAMESE

( Minor )

Paper : ASS0600504

( তুলনামূলক ভাবতীয় সাহিত্য )

( Set—A )

Jawaharlal Nehru College Library Estd.-1964 Boko, Dist. Kamrup

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) ভাৰতীয় সাহিত্য বা ইণ্ডিয়ান লিটাৰেচাৰ শব্দটো কোন জাৰ্মান কবিয়ে প্ৰথম প্ৰয়োগ কৰিছিল?

(খ) উড়িয়া সাহিত্যৰ পিতৃপুৰুষ কাক আখ্যা দিয়া হয়?

(গ) জয়শংকৰ প্ৰসাদ হিন্দী সাহিত্যৰ কোন যুগৰ কবি?

(ঘ) গোবিন্দ দাসৰ পিতৃৰ নাম কি আছিল?

(ঙ) 'সোনাৰ তৰী' কবিতাটি কোনখন কাব্যগ্ৰন্থৰ অন্তৰ্গত?

(চ) 'ফায়াৰ অন দ্য মাউন্টেইন' (Fire on the Mountain) গ্ৰন্থৰ বাবে অনিতা দেশায়ে কি বঁটা লাভ কৰিছিল?

(ছ) 'মন্দিৰ' গল্পটোত অপৰ্ণাৰ বিয়া কাৰ লগত হৈছিল ?

(জ) 'পদ্মানদীৰ মাঝি' উপন্যাসখন গ্ৰন্থাকাৰে কিমান চনত প্ৰকাশ পাইছিল ?

২। চমু উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) বিদ্যাপতি ৰচিত দুখন কাব্যৰ নাম লিখা।

(খ) কুবেৰ কোন ? ধনঞ্জয়ৰ লগত তেওঁৰ সম্পৰ্ক কি ?

(গ) "দুয়োজনকে সাক্ষী কৰি কৈছোঁ, এই দৰাজন জন্ম-জন্মান্তৰলৈকে কইনাজনীৰ হৈ থাকক।" 'বিয়াৰ মুকুট' গল্পটোত থকা এই বাক্যটোত 'দুয়োজন' বুলি কাৰ কাৰ কথা কোৱা হৈছে ?

(ঘ) 'মন্দিৰ' গল্পটোত শক্তিনাথে বিয়া খাবলৈ ক'লৈ গৈছিল ? তাৰপৰা কি আনি অপৰ্ণাক দিছিল ?

(ঙ) আঞ্চলিক উপন্যাসৰ দুটা বৈশিষ্ট্য লিখা।

(চ) ভাগিয়াৰ কিমান মাটি আছিল ? এই মাটি কোনে দখল কৰিছিল ?

(ছ) প্ৰেমচন্দে লিখা প্ৰথম গল্পপুথিখনৰ নাম কি আৰু কোনটো ভাষাত ৰচনা কৰিছিল ?

(জ) শব্দাৰ্থ লিখা—চউকি, মনসিজ।

(ঝ) শৰৎচন্দ্ৰ চট্টোপাধ্যায় ৰচিত দুখন গল্পপুথিৰ নাম লিখা।

(ঞ) কাৰ প্ৰচেষ্টাত আৰু কেতিয়া কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষা বিভাগ খোলা হৈছিল ?





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) 'পদ্মানদীৰ মাঝি' উপন্যাসৰ কুবেৰ চৰিত্ৰ

(খ) বিদ্যাপতিৰ সাহিত্য-প্ৰতিভা

(গ) প্ৰোষিতভৰ্তৃকা নায়িকা

(ঘ) 'ছ'মান আঠগুণ্ঠ' উপন্যাসত বৰ্ণিত মঙ্গৰাজৰ বিশ্বাসঘাতকতা

(ঙ) 'সঙ্গত' গল্পৰ তানপুৰাবাদক

(চ) ব্ৰজবুলি ভাষাৰ বৈশিষ্ট্য

(ছ) তুলনামূলক সাহিত্যৰ অধ্যয়ন-পদ্ধতি

(জ) তুলনামূলক সাহিত্যৰ আমেৰিকান সংহতি

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) তুলনামূলক সাহিত্যৰ অধ্যয়ন-পদ্ধতিত অনুবাদৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য কিয়, ব্যাখ্যা কৰা।

(খ) 'বিয়াৰ মুকুট' গল্পটিত সমকালীন গ্ৰাম্য সমাজৰ আৱেগিক বিষাদময়তাৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

(গ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনত প্ৰকাশ পোৱা সমাজজীৱনৰ ছবি সম্পৰ্কত এটি টোকা লিখা।

(ঘ) ব্ৰজবুলি সাহিত্যত নায়িকাৰ প্ৰকাৰভেদ সম্পৰ্কে চমু আভাস দিয়া।

(ঙ) 'ঊনৈশ পুৰা দুকঠা' উপন্যাসখনত গ্ৰাম্য জীৱনৰ চিত্ৰ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

★★★